জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৩৬/২০২২**

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চুপাৰ স্পেচিয়েলিটি চিকিৎসালয় উদ্বোধন কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে

**দিছপুৰ, ৯ মে' ঃ** কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ কেবিনেট মন্ত্ৰীৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱ নিৰ্মিত অত্যাধুনিক হৃদয়, বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰ ৰাইজৰ সেৱাৰ উৎসৰ্গা কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জনোৱাৰ লগতে কয় যে তেখেতৰ উপস্থিতিয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ দিশত কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰা গুৰুত্বৰ কথা স্পষ্টকৈ সূচাইছে। ড° শৰ্মাই কয় যে ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত ২০০৮ চনত তেওঁ এই চুপাৰ স্পেচিয়েলিটি চিকিৎসালয় খনৰ প্ৰথমে পৰিকল্পনা কৰিছিল যদিও বিভিন্ন কাৰণত সেই পৰিকল্পনা পিছলৈ বাদ দিবলগীয়া হয়। কিন্তু ২০১৪ চনত ২০০৮ চনতকৈ অধিক সংখ্যক বিছনাৰ সৈতে এই চিকিৎসালয়খন নিৰ্মাণৰ বাবে অনুমোদন লাভ কৰাটো সম্ভৱ হৈ উঠে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰায় দুই দশক পূৰ্বে তেওঁ যেতিয়া স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল তেতিয়া এই কথা উপলব্ধি কৰিছিল যে যিসকল ৰোগীক চুপাৰ স্পেচিয়েলিটি স্বাস্থ্য প্ৰযত্নৰ প্ৰয়োজন হয় তেওঁলোকে সেই সময়ত ৰাজ্যত তেনে ধৰণৰ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। এই কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে সেই উপলব্ধিৰে তেওঁ সিদ্ধান্ত লৈছিল যে সাধাৰণ চিকিৎসা সেৱাসমূহৰ পৰা সম্পূৰ্ণ পৃথককৈ এক চুপাৰ স্পেচিয়েলিটি শাখা মুকলি কৰাৰ প্ৰয়োজন আছে। মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে আশা প্ৰকাশ কৰে যে নতুনকৈ মুকলি কৰা এই চিকিৎসালয়ে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰোগীসকলক বিশেষ সকাহ দিবলৈ সক্ষম হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ বিকাশৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই যি বলিষ্ঠতাৰে পদক্ষেপ লৈছে তথা এই দিশত তেওঁৰ দৃষ্টিভংগীৰ শলাগ লয়। তদুপৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্বাহে ভৱিষ্যতেও কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ৰাজ্য চৰকাৰক প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

আজিৰ উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তৰ লগতে অসম চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ কুইন ওজা আৰু বিধায়কসকল উপস্থিত থাকে।

**আয়ন/ বীঃগঃ**
**০৯/০৫/২০২২**